# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-08-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

HEADLIES

বিশ্বনাথ জিলা প্ৰশাসনে আজি ভূমিৰ চৰকাৰী জৰীপ নোহোৱা জাপৰিগুৰিৰ ১৭৫ বিঘা ভূমিত উচ্ছেদ চলাইছে। যোৱা ২ আগষ্টত অঞ্চলটোৰ ৩০৯টা পৰিয়াললৈ উচ্ছেদ অভিযানৰ জাননী জাৰি কৰি তেওঁলোকক ১৫ দিনৰ ভিতৰত সেই স্থান এৰি যাবলৈ নিৰ্দেশ দিছিল। অবৈধ দখলকাৰীক সেই স্থান এৰি যাবলৈ প্ৰশাসনে কালি মাইক যোগে অন্তিমবাৰৰ বাবে ঘোষণা কৰিছিল। উচ্ছেদ অভিযানত ২০ খন বুলড'জাৰ, ১০ খন ট্ৰেক্টৰ আৰু ২০ খন সৰু-বৰ বাহন ব্যৱহাৰ কৰা হৈছে। যিকোনো অপ্ৰীতিকৰ ঘটনা ৰোধ কৰাৰ বাবে অঞ্চলটোত আৰক্ষী-নিৰাপত্তাৰক্ষী নিয়োগ কৰা হৈছে। উচ্ছেদ অভিযানৰ বাবে অঞ্চলটো চাৰিটা জ'নত ভাগ কৰা হৈছে। দুটা জ'নত একোজনকৈ অতিৰিক্ত আয়ুক্তক নিয়োগ কৰা হৈছে। ইয়াৰ উপৰি ছজনকৈ কাৰ্যবাহী দণ্ডাধীশো নিয়োগ কৰা হৈছে। প্ৰথম দিনাৰ উচ্ছেদ অভিযান আজি বিয়লি ৪ বজাত অন্ত কৰে। উচ্ছেদ অভিযানৰ সময়ত যাতে কোনো আইন-শৃংখলাজনিত পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে অঞ্চলটোত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ৰ ১৬৩ ধাৰা বলৱৎ কৰা হয়।

ooooo

অধিক দক্ষতাৰে ৰাজ্যৰ উন্নয়নৰ গতি আগুৱাই নিয়াৰ উদ্দেশ্যেৰে চৰকাৰে গুৱাহাটী আৰু সোণাই জলসিঞ্চন প্ৰকল্পত এৰিয়েল লিডাৰ আৰু জি আই এছ্ সমীক্ষাত অনুমোদন জনাইছে। গুৱাহাটী পৌৰ নিগম আৰু গুৱাহাটী নগৰ উন্নয়ন প্ৰাধিকৰণৰ অন্তৰ্গত ৩২৮ বৰ্গ কিলোমিটাৰ এলেকাত জৰীপ কৰা হ'ব। আনহাতে কাছাৰ জিলাৰ সোণাই জলসিঞ্চন প্ৰকল্পৰ ১৪৭ বৰ্গ কিলোমিটাৰ অঞ্চল এই জৰীপৰ জৰিয়তে সামৰি লোৱা হ'ব। এই জৰীপ ব্যৱস্থাৰে নগৰীয়া সম্পত্তি ব্যৱস্থা আৰু স্মাৰ্ট চিটি প্ৰশাসন সুনিশ্চিত হ'ব। ভৱিষ্যতৰ গুৱাহাটীৰ বাবে আন্তঃগাঁথনিৰ পৰিকল্পনা আৰু কাছাৰ জিলাত উন্নত জলসিঞ্চনৰ পৰিকল্পনাৰ বাবে এই ব্যৱস্থাই বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

ooooo

নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আজি এখন সংবাদমেল সম্বোধন কৰি শেহতীয়াকৈ উৰিয়ামঘাটৰ একাংশ উচ্ছেদিত লোকে নগাঁৱৰ বিভিন্ন স্থানত অৱস্থান কৰা বুলি উঠা অভিযোগ সন্দৰ্ভত কেতবোৰ স্পষ্টীকৰণ দাঙি ধৰে। আয়ুক্তগৰাকীয়ে কয়, যে যি সকল লোকৰ মাটিৰ কোনো বৈধ নথি পত্ৰ নাই অথবা চৰকাৰী ভূমিত বাস কৰি আছে সেইসকল লোকক চৰকাৰে এদিন উচ্ছেদ কৰি চৰকাৰী ভূমি দখলমুক্ত কৰিবই। এচাম লোকে

বহু ঠাইত মাটি থকাৰ পাছতো চৰকাৰী মাটি দেখা পালে দখল কৰাৰ চেষ্টা চলায়। জিলা আয়ুক্তগৰাকীয়ে এনে কাৰ্যৰ পৰা বিৰত থাকিবলৈ সেইসকল লোকক সকীয়াই দিয়ে। আয়ুক্তগৰাকীয়ে জিলাখনৰ ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত বা নাম কৰ্তনেৰে সংশোধনৰ ক্ষেত্ৰত সকলোৰে সহযোগিতা কামনা কৰে। একেখন সংবাদমেলতে জিলা আয়ুক্তগৰাকীক কাৰ্যালয়ৰ এগৰাকী মহিলা কৰ্মচাৰীয়ে উৎকোচ লোৱা ঘটনা সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত কৰ্মচাৰীগৰাকীক তৎকালীনভাৱে বলৱৎ হোৱাকৈ নিলম্বন কৰাৰ লগতে আৰক্ষী থানাত এটা গোচৰ তৰা বুলিও জানিবলৈ দিয়ে।

ooooo

বাক্সা জিলাৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰ কেশৰ নগৰত আজি ককলাবাৰী ব্লক কংগ্ৰেছ কমিটিৰ উদ্যোগত এখন বিশাল জনসভা অনুষ্ঠিত হয়। বাক্সা জিলা কংগ্ৰেছ কমিটিৰ সভাপতি বুদ্ধদেৱ ফাদাঙগিৰীৰ সভাপতিত্বত অনুষ্ঠিত এই জনসভাত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। সভাত ভাষণ দি শ্ৰী গগৈয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনক তীব্ৰ ভাষাৰে সমালোচনা কৰে। সভাত কংগ্ৰেছ দলৰ বিধায়ক আব্দুল ৰহিম আহমেদকে ধৰি কেইবাগৰাকীও দলীয় নেতাই অংশগ্ৰহণ কৰে।

ooooo

বাক্সা জিলাৰ সাউদৰভিঠাত আজি কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰীয়ে কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। সাংসদগৰাকীয়ে ২১ নম্বৰ শালবাৰী পৰিষদীয় সমষ্টিৰ জ্ঞান চৌৰাঙ বিথাংখি, যুৱ সজাগতা সভা আৰু বিটিচি নিৰ্বাচন সন্দৰ্ভত পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। সভাৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সাংসদগৰাকীয়ে- ইউ পি পি এল হিচাপে বিটিচিৰ ৩৫ লাখ জনসাধাৰণৰ ২৬ টা জনগোষ্ঠীৰ শান্তি, সম্প্ৰীতিৰে আগবাঢ়ি যোৱাৰ সংকল্পৰ কথা উল্লেখ কৰে। কংগ্ৰেছৰ গৌৰৱ গগৈয়ে ইউ পি পি এলৰ চাবিকাঠি মুখ্যমন্ত্ৰীৰ হাতত থকা বুলি দিয়া ভাষ্য সন্দৰ্ভতো তেওঁ মন্তব্য কৰে। অনুষ্ঠানত টি চি এল চি চিৰ অধ্যক্ষ বিনোদ মুছাহাৰী, ইউ পি পি এলৰ মানাহ বিধানসভা সমষ্টিৰ সমন্বয়ক ড০ ভৱেশ শৰ্মাকে ধৰি কেইবগৰাকীও দলীয় নেতাই অংশগ্ৰহণ কৰে।

ooooo

গায়ক, সুৰকাৰ তথা গীতিকাৰ খগেন মহন্তৰ আজি ৮৪ সংখ্যক জন্ম বাৰ্ষিকী। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি গুৱাহাটী কাহিলিপাৰাত থকা জ্যোতি চিত্ৰবনৰ ৰুদ্ৰ বৰুৱা প্ৰেক্ষাগৃহত শিল্পী খগেন মহন্তৰ জয়ন্তী উপলক্ষে **যায় অ' কানু বাই বেণু** শীৰ্ষক এটা সুৰীয়া সন্ধিয়াৰ আয়োজন কৰা হৈছে। বিয়লি চাৰে ৫ বজাত আৰম্ভ হোৱা এই অনুষ্ঠানত শিল্পীগৰাকীৰ কালজয়ী গীতসমূহৰ স্মৃতি সোঁৱৰণ কৰা হৈছে।

উল্লেখযোগ্য যে সংগীত নাটক একাডেমী বঁটাৰে সন্মানিত শিল্পীগৰাকীক আজি ৰাজ্যজুৰি স্মৰণ কৰা হৈছে। ১৯৬৫ চনৰ পৰা আকাশবাণীৰ নিয়মীয়া শিল্পী হিচাপে গীত গাই ১৯৭২ চনত তেওঁ প্ৰথম শ্ৰেণীৰ সুগম সংগীত আৰু লোকসংগীতৰ শিল্পী হিচাপে আকাশবাণীৰ স্বীকৃতি লাভ কৰে। ১৯৭৪ চনৰ পাছত তেওঁ আকাশবাণীত সুৰকাৰ হিচাপে চাকৰিত যোগদান কৰি পাছলৈ সংগীত প্ৰযোজক আৰু শেষত আকাশবাণীৰ উত্তৰ-পূব সঞ্চালকালয়ৰ সহকাৰী সঞ্চালক হিচাপে ২০০১ চনৰ ৩১ ডিচেম্বৰত অৱসৰ লয়।

১৯৬০ চনৰ ভাষা আন্দোলনৰ সময়ছোৱাত বিষ্ণু প্ৰসাদ ৰাভা, হেমাংগ বিশ্বাস, যুগল দাসৰ হাৰমণি দলৰ এজন সক্ৰিয় সদস্যৰূপে ৰাজ্যজুৰি শান্তিৰ হকে তেওঁ গীত পৰিৱেশন কৰিছিল। **কাউৰী পৰে, মা আমি শদিয়ালৈ যামে** আদিকে ধৰি কেইবাটিও কালজয়ী গীতেৰে অসমৰ সংগীত ক্ষেত্ৰখনক তেখেতে সমৃদ্ধ কৰি গৈছে। ৰাজ্যৰ ভিতৰুৱা অঞ্চলসমূহৰ পৰা সংগ্ৰহ কৰা লোকগীতসমূহ ৰাইজলৈ আগবঢ়াই দিয়াৰ লগতে বিহু গীতসমূহৰ প্ৰসাৰ আৰু প্ৰচাৰৰ তেখেতে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

ooooo

সমাপ্ত